# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 21-01-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::::**

HEDLINE/21-01-2025

১। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি ৰাজ্যৰ মুখ্য সচিবৰ অধ্যক্ষতাত গণৰাজ্য দিৱস উদযাপন, এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ আয়োজনকে ধৰি কেইবাটাও বিষয় সন্দৰ্ভত গুৰুত্বপূৰ্ণ বৈঠক।

২। এ পি ডি চি এলএ তিনিটা স্তৰত বিদ্যুৎ মাচুলৰ প্ৰস্তাৱ আৰু মাচুল বৃদ্ধিৰ বিষয়ে অসম ৰাজ্যিক নিয়ামক আয়োগক কোনো প্ৰস্তাৱ দাখিল কৰা নাই বুলি শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনৰ প্ৰকাশ।

৩। নগাঁও জখলাবন্ধাৰ পৰা যোৰহাটৰ জাঁজীলৈ নিৰ্মাণ কৰিবলগীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱাৰ দিশ সলনি সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণৰ পৰা স্পষ্টীকৰণ আহ্বান।

৪। অসম নাট্য সন্মিলনৰ পৰৱৰ্তী সভাপতি হিচাপে বিশিষ্ট নাট্যকাৰ জিতেন শৰ্মা নিৰ্বাচিত।

*আৰু*

৫। মহিলাৰ ১৯ বছৰ অনূৰ্ধ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয় সংস্কৰণৰ গ্ৰুপ-এৰ এখন খেলত আজি ভাৰত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাৰ অধ্যক্ষতাত কালি আয়ুক্ত আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে কল্যাণমুখী পদক্ষেপসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰিবলৈ মাহেকীয়া পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাসমূহত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। তদুপৰি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ আয়োজনৰ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। এই বৈঠকত প্ৰস্তুতি আৰু কৌশলগত পৰিকল্পনা আলোচনাৰ অধীনত আয়ুক্তসকলক স্থানীয় বাণিজ্যিক সংস্থাৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ নিৰ্দেশ দিয়া হয়। তদুপৰি বৈঠকত স্বচ্ছতা অভিযান, প্ৰধানমন্ত্ৰী আদৰ্শ গাঁও যোজনা আৰু জিলাসমূহৰ পৰা ব্যৱহাৰৰ প্ৰমাণ পত্ৰ দাখিলৰ স্থিতি, সেৱা সেঁতু এপৰ বৰ্তমানৰ স্থিতি, অমিমাংসিত সেৱা আবেদনসমহূ, নিষ্পত্তিৰ হাৰ আৰু অভিযোগ নিষ্পত্তিৰ পৰ্যালোচনা কৰা হয়।

০০০০০

ৰাজ্যখনত বিদ্যুৎ মাচুল বৃদ্ধিৰ সম্প্ৰতি কোনো প্ৰাসংগিকতা নাই আৰু বিদ্যুৎ মাচুলৰ পৰা ৰাজ্যৰ ৬০০ কোটি টকা ৰাহি হৈছে বুলি শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে প্ৰকাশ কৰিছে। কালি চিৰাং জিলাৰ ঢালিগাঁৱৰ বঙাইগাঁও শোধনাগাৰ চৌহদত উপস্থিত হোৱাৰ পাছত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে বিভিন্ন প্ৰকাৰে বিদ্যুৎ উৎপাদনৰ ব্যৱস্থা লৈছে। নামনি কপিলী প্ৰকল্পৰ পৰাও ১২০ মেগাৱাট বিদ্যুৎ উৎপাদন

কৰাৰ লগতে সৌৰ শক্তিৰ পৰাও বিদ্যুৎ উৎপাদন কৰি চৰকাৰক উৎকৃষ্ট সেৱা দিয়াৰ প্ৰয়াস কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। অসম শক্তি বিতৰণ কোম্পানীয়ে ৰাজ্যখনত তিনিটা স্তৰত বিদ্যুৎ মাচুলৰ প্ৰস্তাৱ কৰা আৰু বিদ্যুৎ মাচুল বৃদ্ধি কৰাৰ বিষয়ে অসম ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগৰ ওচৰত প্ৰস্তাৱ দাখিল কৰা বুলি সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই বুলি স্পষ্ট কৰে।

00000

নগাঁৱৰ জখলাবন্ধাৰ পৰা যোৰহাটৰ জাঁজীলৈ নিৰ্মাণ কৰিবলগীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱাৰ দিশ সলনি কৰা সন্দৰ্ভত  গুৱাহাটী উচ্চ ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ পৰা স্পষ্টীকৰণ বিচাৰিছে। আদালতে কেন্দ্ৰীয় চৰকাৰ আৰু ঘাইপথ প্ৰাধিকৰণক দুসপ্তাহৰ ভিতৰত বিষয়টো সন্দৰ্ভত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে এই পথছোৱাৰ দিশ সলনি সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত নগাঁও আৰু বোকাখাতৰ ২১৬ জন লোকে দুখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। আবেদন দুখনৰ শুনানি গ্ৰহণ কৰি কালি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ কৌশিক গোস্বামীৰ বিচাৰপীঠে কালি এই ৰায় দিয়ে। ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দুখনত ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সচিব, নগাঁও জিলাৰ আয়ুক্ত আৰু দুটা   পথ নিৰ্মাণকাৰী ব্যক্তিগত সংস্থাৰ লগতে গুৱাহাটীৰ এগৰাকী প্ৰতিষ্ঠিত মহিলা ব্যৱসায়ীৰ নামো পদকীয়া হিচাপে উল্লেখ কৰা হৈছে।

00000

চলিত বছৰৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ বহিঃমূল্যায়নৰ প্ৰথমটো দিনৰ কাৰ্যসূচী কালি সফলতাৰে সম্পন্ন হয়। কালি ১৩ খন জিলাৰ ৫ হাজাৰ ৩৭১ খন বিদ্যালয়ৰ ৫ লাখ ১২ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ মূল্যায়ন কৰা হয়। এই পৰ্যায়ত চৰাইদেউ, ধেমাজি, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং, কামৰূপ মহানগৰ, ধুবুৰী, চিৰাং আৰু বাক্সা জিলাৰ মূল্যায়ন কৰা হৈছে। কালি চৰাইদেউ জিলাত গুণোৎসৱৰ কাৰ্যসূচীত মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ পি এম শ্ৰী মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়ন কৰে। একেদৰে মন্ত্ৰী অজন্তা নেওগে কালি গোলাঘাটৰ ১ নম্বৰ টাউন আদৰ্শ বুনিয়াদী বিদ্যালয়ৰ গুণোৎসৱৰ প্ৰাতঃসভাত অংশগ্ৰহণ কৰে।

00000

ন্যায়াধীশ কাৰ্ডাক ইতে আৰু ন্যায়াধীশ মৃদুল কুমাৰ কলিতাই আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে শপতগ্ৰহণ কৰিব। আজি দিনৰ ১০ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে ন্যায়াধীশ ইতে আৰু ন্যায়াধীশ কলিতাক শপতবাক্য পাঠ কৰোৱাব।

00000

তিনিচুকীয়া জিলাৰ দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডে প্ৰজেক্ট স্বাৱলম্বন শীৰ্ষক অভিলাষী প্ৰকল্পৰ জৰিয়তে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ যুৱক-যুৱতীৰ কৰ্মসংস্থাপন নিশ্চিত কৰিছে। বিশেষকৈ প্ৰতিষ্ঠানটোৰ এই সামাজিক দায়বদ্ধতা আঁচনিৰ জৰিয়তে   যোগ্য প্ৰাৰ্থীসকলক পৰ্যটন আৰু আতিথ্য খণ্ডত প্ৰশিক্ষণ প্ৰদান কৰি ১০০ শতাংশই নিশ্চিত কৰ্ম

সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে বুলি প্ৰতিষ্ঠানটোৰ সূত্ৰই প্ৰকাশ কৰিছে। প্ৰকল্পৰ জৰিয়তে প্ৰাৰ্থীসকলক প্ৰশিক্ষণৰ সময়ছোৱাত কম্পিউটাৰ শিক্ষা, আকৰ্ষণীয় ব্যক্তিত্ব গঠন তথা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যোগাযোগ আৰু ভাব বিনিময়ত সুচল হোৱাকৈ কথন শৈলীৰ বিকাশত গুৰুত্ব আৰোপ কৰা হয়। এই আঁচনিৰ অধীনত কেইবাহাজাৰো যুৱক-যুৱতীয়ে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ইংলেণ্ড, আমেৰিকা, ইটালী, কাটাৰ, ডুবাই, ছিংগাপুৰকে ধৰি বিদেশৰ কেইবাটাও স্থানত চাকৰি কৰি আছে বুলি প্ৰতিষ্ঠানটোৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

বিশিষ্ট নাট্যকাৰ জিতেন শৰ্মা অসম নাট্য সন্মিলনৰ পৰৱৰ্তী সভাপতি নিৰ্বাচিত হৈছে। নলবাৰী জিলাৰ বেলশৰৰ উগ্ৰ মেনা জীৱেশ্বৰ ডেকা ক্ষেত্ৰত চলি থকা অসম নাট্য সন্মিলনৰ ৬৩ সংখ্যক মধ্যকালীন অধিৱেশনৰ কালি সন্ধিয়া অনুষ্ঠিত সাধাৰণ পৰিষদৰ বৈঠকত নাট্যকাৰগৰাকীক সভাপতি হিচাপে বাছনি কৰা হয়। নাট্য মহোৎসৱৰ অংশ হিচাপে কালি ডিব্ৰেশ্বৰ খনিকৰ সোঁৱৰণী একক অভিনয় আৰু অন্তৰংগ আলাপৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। আবেলি মহানন্দ শৰ্মা সোঁৱৰণী শিশু নাট প্ৰতিযোগিতাৰ লগতে ৰুক্মিনী হৰণ ভাওনাও পৰিৱেশন কৰা হয়। আজি বিভিন্ন শিতানৰ বঁটা প্ৰদান অনুষ্ঠান, মুকলি সভা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ পাছতে মহোৎসৱৰ সামৰণি পৰিব। এই নাট মহোৎসৱ সন্দৰ্ভত এয়া আমাৰ নলবাৰীৰ সংবাদদাতা ৰমেন কলিতা –

বাইট

ooooo

অসম বৈদিক বৈষ্ণৱ মহাসভাই কালি বোকাখাতত অনুষ্ঠিত সংগঠনটোৰ চতুৰ্দশ বাৰ্ষিক ৰাজ্যিক অধিৱেশনত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী, নাট্যকাৰ, পৰিচালক তথা বোকাখাতৰ সন্তান ঋতুপৰ্ণ দাসক বোকাখাত গৌৰৱ বঁটা প্ৰদান কৰে। বোকাখাতৰ বালিজানত ৫ দিনীয়াকৈ আয়োজিত অধিৱেশনখনত কালি ৰাজ্যৰ দুগৰাকী কেবিনেট মন্ত্ৰী কেশৱ মহন্ত আৰু অতুল বৰাই শ্ৰী দাসক আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰে। এই অনুষ্ঠানত বৈদিক বৈষ্ণৱ মহাসভাৰ নেতৃবৰ্গৰ লগতে বিশিষ্ট চিকিৎসক, লেখক ডাঃ নিৰ্মল চাহেৱালা আৰু আমাৰ অসম কাকতৰ কাৰ্যবাহী সম্পাদক গৌতম শৰ্মাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ নামপঙত কালিৰেপৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পাংচুপাচ আন্তঃৰাষ্ট্ৰীয় মহোৎসৱ অনুষ্ঠিত হৈছে। কালি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে এই মহোৎসৱ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চাংলাং জিলাৰ নামপঙৰ সীমান্ত অঞ্চল শতিকাজুৰি প্ৰব্ৰজনৰ লগতে বাণিজ্যিক আৰু সাংস্কৃতিক বিনিময়ৰ সুচল পথ হিচাপে পৰিগণিত হৈ আহিছে বুলি মন্তব্য কৰে। সাংস্কৃতিক বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ লক্ষ্যৰে আয়োজিত এই মহোৎসৱত লোকগীত পৰম্পৰাগত ক্ৰীড়া আৰু ঐতিহাসিক স্থানসমূহৰ পৰ্যটনৰ বিকাশৰ বাবে অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উৎসৱে স্থানীয় শিল্পী, ব্যৱসায়ী আৰু উদ্যোগীসকলক তেওঁলোকৰ প্ৰতিভা আৰু সামগ্ৰীৰ প্ৰদৰ্শনৰ বাবে সুযোগ প্ৰদান কৰে। কালিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে চাৰিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে নামপং বিধানসভা সমষ্টিৰ বাবে ৫টা প্ৰকল্প উদ্বোধন কৰে। সমষ্টিটোৰ উন্নয়নৰ বাবে তেওঁ ৪৩ কোটি টকাৰ প্ৰকল্প অনুমোদন কৰাৰ কথা ঘোষণা কৰে।

উল্লেখযোগ্য যে শেষবাৰৰ বাবে ২০২০ চনত এই মহোৎসৱ উদযাপন কৰা হৈছিল। ইয়াৰ পাছত কোৱিডৰ প্ৰাদুৰ্ভাৱ আৰু অন্যান্য কাৰণত এই মহোৎসৱৰ আয়োজন কৰা হোৱা নাছিল।

ooooo

ৰাজ্যত পহিলা জানুৱাৰীত আৰম্ভ হোৱা পথ সুৰক্ষা মাহৰ অংশ হিচাপে পৰিবহন মন্ত্ৰী যোগেন মহনে কালি সন্ধিয়া শিৱসাগৰ নগৰত সুৰাপান কৰি গাড়ী চলোৱাৰ বিৰুদ্ধে অভিযান চলায়। এই অভিযানৰ জৰিয়তে সুৰাপান কৰি গাড়ী চলোৱাৰ ফলত হ'ব পৰা পথ দুৰ্ঘটনা সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। মন্ত্ৰীগৰাকীয়ে পথ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সামুহিক প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি কয়, যে পৰিবহন বিভাগৰ এনে প্ৰচেষ্টাৰ ফলস্বৰূপে ৰাজ্যত পথ দুৰ্ঘটনাৰ সংখ্যা ১৩ শতাংশলৈ হ্ৰাস পাইছে।

ooooo

তিনিচুকীয়া জিলাৰ পানীতোলা আৰক্ষীয়ে এটি ঠিকনাবিহীন শিশুক উদ্ধাৰ কৰি জিলা শিশু সুৰক্ষা বিষয়াক প্ৰদান কৰে। সম্প্ৰতি শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ৰ তত্বাৱধানত শিশুটি **আদৰ শিশু গৃহত** আশ্ৰয় লৈ আছে বুলি উল্লেখ কৰিছে। মাগুৰবৰণীয়া ১০৭ চেণ্টিমিটাৰ উচ্চতাৰ ১৫ দশমিক ৮ কেজি ওজনৰ শিশুটিৰ পৰিচয় সন্দৰ্ভত কিবা সম্ভেদ পালে তিনিচুকীয়া জিলাৰ শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

ooooo

মাজুলী জিলা সাহিত্য সভাৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া আজি আৰম্ভ হ'ব। জিলা সাহিত্য সভাৰ সভাপতি ৰাম সাগৰ নাথে আজি মাজুলী ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অতুল শইকীয়াক নিৰ্বাচনী বিষয়াৰ দায়িত্বভাৰ অৰ্পন কৰে। অহা ২৩ জানুৱাৰী মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ২৯ জানুৱাৰীত জিলা সাহিত্য সভাৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ সামৰণি পৰিব।

ooooo

## News Paper Revew

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ ভিতৰত অসমীয়া প্ৰতিদিন কাকতে **তিনি তৰপীয়া হাৰত বাঢ়িব বিদ্যুৎ মাচুল** এই শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। কাকতখনে ৰাজনৈতিক অভিসন্ধিৰে কলিয়াবৰ-নুমলীগড় ৰাষ্ট্ৰীয় পথৰ দিশ সলনি কৰাৰ বাতৰি গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে দেশ কপোৱা কলকাতাৰ আৰ জি কৰ হাস্পতালত তৰুণী চিকিৎসকক বলাৎকাৰৰ অভিযোগত অভিযুক্ত  অপৰাধীজনক আমৃত্যু কাৰাদণ্ডবিহাৰ ৰায়ৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই বাতৰিটোকে ধৰ্ষণ-হত্যাকাৰী সঞ্জয় ৰায়ক আমৃত্যু কাৰাদণ্ড শিৰোনামেৰে মুখ্য বাতৰি হিচাপে নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। লোকনিৰ্মাণ বিভাগৰ ১৮ গৰাকী সহকাৰী অভিযন্তাক আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰা বাতৰিক কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণৰ অংগীকাৰেৰে ৪৭ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে শপতগ্ৰহণ কৰাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

চাকৰি প্ৰাদেশীকিকৰণৰ দাবীত বঞ্চিত শিক্ষকৰ প্ৰতিবাদৰ বাতৰিক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। কাকতখনে নাট্যকাৰ জিতেন শৰ্মা অসম নাট্য সন্মিলনৰ পৰৱৰ্তী সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ বাতৰিকো স্থান দিছে।

অসমত বাণিজ্যৰ প্ৰসাৰ কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছিউলৰ ৰৌড শ্ব'ত অংশ লৈ বিনিয়োগকাৰী সকলক অসমলৈ আমন্ত্ৰণ জনোৱাৰ বাতৰি দৈনিক অসম, দ্যা ছেণ্টিনেল, দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। আধ্যাত্মিকতাৰ পৰিধি অতিক্ৰমি অৰ্থনীতিৰ চালিকা শক্তি হৈছে মহাকুম্ভ মেলা এই শিৰোনামেৰে এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এবছৰত বিশ্বৰ ধনাধ্যৰ সম্পত্তি দুই লাখ কোটি ডলাৰ বৃদ্ধি হোৱাৰ বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে অসমৰ এটাও হাতী আম্বানীৰ চিৰিয়াখানালৈ নিয়া নাই বুলি কৰা মন্তব্যক কাকতখনে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

০০০০০

মহিলাৰ ১৯ বছৰ অনুৰ্ধ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয় সংস্কৰণৰ গ্ৰুপ-এৰ এখন খেলত আজি, যোৱাবাৰৰ চেম্পিয়ন ভাৰত মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন কুৱালালামপুৰৰ বেয়ুমাছ অভেল ষ্টেডিয়ামত দুপৰীয়া খেলোৱা হ'ব। গ্ৰুপ-এৰ আন এখন খেলত ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ৯ উইকেটত বিজয় সাব্যস্ত কৰি প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিছে।

০০০০০

ৰুৰকেলাৰ বীৰচা মুণ্ডা হকী ষ্টেডিয়ামত আজি সন্ধিয়া ৬ বজাত হ'বলগীয়া মহিলাৰ এখন খেলত জে এছ ডব্লিঅ' ছুৰমা হকী ক্লাব, ওড়িশা ৱাৰিয়ৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নিশা ৮ বাজি ১৫ মিনিটত হ'বলগীয়া পুৰুষৰ খেলত ইউ পি ৰুদ্ৰাছে গোনাচিকা দলৰ বিৰুদ্ধে খেলিব। প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত পুৰুষৰ হকী ইণ্ডিয়া লীগৰ এখন খেলত জে এছ ডব্লিঅ' ছুৰমা হকী ক্লাবে শ্ৰাচী ৰাঢ় বেংগল টাইগাৰ্ছক ২-১ গ'লত পৰাস্ত কৰে।

ৰাঁচীৰ মৰাং গোমকে জয়পাল সিং মুণ্ডা ষ্টেডিয়ামত কালি অনুষ্ঠিত মহিলাৰ এখন খেলত জে এছ ডব্লিঅ' ছুৰমা হকী ক্লাবে দেলহী এছ জি পাইপাৰ্ছক ৫-১ গ'লত পৰাস্ত কৰে। এই জয়েৰে ছুৰমা হকী ক্লাবে ৯ পইণ্টৰ সহায়ত শীৰ্ষস্থান দখল কৰিছে। ৮ পইণ্টেৰে ওড়িশা ৱাৰিয়ৰ্ছ দ্বিতীয় স্থানত আছে।

০০০০০

চেন্নাইত হ'বলগীয়া ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ এখন খেলত চেন্নাইয়ান ফুটবল ক্লাবে মোহন বাগান ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে খেলিব। চেন্নাইয়ান ফুটবল ক্লাবে ১৬ খন খেল খেলি ১৭ পইণ্টেৰে তালিকাৰ দশম স্থানত আছে। ইপিনে মোহন বাগান ছুপাৰ জায়েণ্ট ৩৬ পইণ্টেৰে তালিকাৰ শীৰ্ষ স্থানত আছে।

০০০০০

বতৰৰ বতৰা– ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যৰ বতৰ শুকান হৈ থকাৰ লগতে কোনো কোনো স্থানত কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা জাৰি কৰিছে। আনহাতে, বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে দিনৰ ভাগত আকাশ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী চেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ৯ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৩ দশমিক ৮ ডিগ্ৰী চেলছিয়াছ।

ooooo

সমাপ্ত